জনসংযোগ, অসম
মুখ্যমন্ত্রীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ২০১/২০২২

লালপুলত ২৫ মেগাৱাট ক্ষমতা সম্পন্ন ওদালগুৰি সৌৰশক্তি প্ৰকল্পৰ শুভ উদ্বোধন মুখ্যমন্ত্ৰীৰ

শক্তিৰ নবীকৰণ যোগ্য উৎসৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হৈছে ঃ মুখ্যমন্ত্ৰী

১৩ আগষ্টৰ পৰা ১৫ আগষ্টলৈকে 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচী হিচাপে নিজগৃহত ৰাষ্ট্ৰীয় ত্ৰিৰংগা উত্তোলনৰ আহ্বান ঃ মুখ্যমন্ত্ৰী

১০ অক্টোবৰৰ পৰা অৰুণোদয় আঁচনিৰ ধন ১ হাজাৰ টকাৰ পৰা ১২৫০ টকালৈ বৃদ্ধি কৰা হ'ব ঃ মুখ্যমন্ত্ৰী

বিটিআৰত খিলঞ্জীয়াৰ ভূমি অধিকাৰ সাব্যস্ত কৰাৰ স্বাৰ্থত 'বিটিআৰ বসুন্ধৰা' আৰম্ভ কৰাৰ ব্যৱস্থা কৰা হ'ব ঃ মুখ্যমন্ত্ৰী

বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ এটা চৌহদ ওদালগুৰিত মুকলি কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হ'ব ঃ মুখ্যমন্ত্ৰী

১৮ কোটি টকাৰ অনুমোদনেৰে ৰৌতা আৰু ওদালগুৰি পথত নিৰ্মাণ হ'ব দলং

প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰীৰ লগতে লেটাৰ নম্বৰসহ উচ্চতৰ মাধ্যমিকত উত্তীৰ্ণ ছাত্ৰসকলকো আগবঢ়োৱা হ'ব স্কুটী ঃ মুখ্যমন্ত্ৰী

দিছপুৰ, ১৯ জুলাই ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ওদালগুৰি জিলাৰ লালপুলত ২৫ মেগাৱাট ক্ষমতা সম্পন্ন ওদালগুৰি সৌৰশক্তি প্ৰকল্পৰ শুভ উদ্বোধন কৰে। বিঅ'অ' আৰ্হিৰ অধীনত আৰু অসম সৌৰ শক্তি নীতি ২০১৭ৰ অংশ হিচাপে নিৰ্মাণ কৰা ৰাজ্যৰ প্ৰথমটো সৌৰ প্ৰকল্পৰ দ্বাৰা ওদালগুৰি জিলাৰ ৬৫ হাজাৰ গ্ৰাহকক উপকৃত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

এই উপলক্ষে অনুষ্ঠিত এক সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আদৰ্শৰে ৰাজ্যৰ শক্তিখণ্ডৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে অহা ৫ বছৰত পৰম্পৰাগত উৎসৰ পৰিৱৰ্তে নবীকৰণ যোগ্য শক্তিৰে পৰিচ্ছন্ন আৰু সেউজ খণ্ডলৈ গতি কৰাৰ বাবে অসম চৰকাৰে সংকল্প

লৈছে। সকলো সমস্যাৰ ভিতৰত জলবায়ু পৰিৱৰ্তন সমগ্ৰ বিশ্বৰ বাবে মূল সমস্যা বুলি অভিহিত কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্যখনক বিকাশৰ নতুন উচ্চতালৈ লৈ যোৱাৰ যাত্ৰাত অসম চৰকাৰে প্ৰকৃতি আৰু পৰিৱেশৰ অনুকূল পদক্ষেপসমূহ আগুৱাই নিয়াৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰিছে। সেইবাবে শক্তিৰ নবীকৰণ যোগ্য উৎসৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হৈছে। তেওঁ কয় যে প্ৰদূষণৰ ফলত সূৰ্য্য আৰু পৃথিৱীৰ মাজৰ আৱৰণ ক্ৰমাৎ হ্ৰাস পোৱাৰ ফলত জলবায়ুৰ উষ্ণতা অস্বাভাৱিকভাৱে বৃদ্ধি পাব ধৰিছে। অহা ৫ বছৰত ৰাজ্যত নবীকৰণ যোগ্য শক্তি উৎপাদনৰ জৰিয়তে বহনক্ষম উন্নয়নৰ ক্ষেত্ৰত অসম ভাৰতৰ ভিতৰতে শ্ৰেষ্ঠ ৰাজ্য হিচাপে পৰিগণিত হোৱাৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আমাৰ ৰাজ্যখনে নবীকৰণ যোগ্য শক্তিৰ উৎসৰ জৰিয়তে অতিৰিক্ত শক্তি আহৰণ কৰাই নহয়, স্বনিৰ্ভৰশীল আৰু পৰিৱেশ প্ৰদূষণ ৰোধৰ ক্ষেত্ৰত এক সবল ভূমিকা গ্ৰহণ কৰিব পাৰিব।

সভাত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে সাম্প্ৰতিক বানত ক্ষতিগ্ৰস্ত লোকসকলক এটা মাহৰ ভিতৰতে ক্ষতিপূৰণ দিবলৈ ৰাজ্য চৰকাৰে প্ৰচেষ্টা হাতত লৈছে। ইতিমধ্যে অসমৰ বিভিন্ন প্ৰান্তত শিৱিৰৰ পৰা নিজ গৃহলৈ উভতি যোৱা বান ক্ষতিগ্ৰস্ত লোকক ৩৮০০ টকাকৈ প্ৰদান কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আহ্বান জনোৱা 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচী হিচাপে স্বাধীনতা দিৱসৰ অমৃত কালত অহা ১৩ আগষ্টৰ পৰা ১৫ আগষ্টলৈকে তিনিদিন কৰি প্ৰতিগৰাকী ভাৰতীয়কে নিজগৃহত ৰাষ্ট্ৰীয় ত্ৰিৰংগা উত্তোলন কৰিবলৈ তেওঁ আহ্বান জনায়। ইয়াৰ বাবে প্ৰতিখন ৰেচন কাৰ্ডৰ দোকানত সুলভ মূল্যত এই ত্ৰিৰংগা উপলব্ধ কৰা হৈছে বুলি তেওঁ কয়। স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে প্ৰতিখন জিলাত ৭৫ টাকৈ 'অমৃত সৰোবৰ' নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে প্ৰচেষ্টা হাতত লৈছে বুলি তেওঁ উল্লেখ কৰে। তদুপৰি গছ পুলি ৰোপনেৰে প্ৰাতিষ্ঠানিক পৰিসৰৰ সৌন্দৰ্য বৰ্দ্ধনৰ ক্ষেত্ৰত ৭৫ জোপা 'অমৃত বৃক্ষ' ৰোপনেৰে পৰিৱেশ সুৰক্ষা বিষয়ত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা হৈছে বুলিও তেওঁ কয়।

অহা ১০ অক্টোবৰৰ পৰা অৰুণোদয় আঁচনিৰ ধন ১ হাজাৰ টকাৰ পৰা ১২৫০ টকালৈ বৃদ্ধি কৰা হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে সময়মতে যাতে বিদ্যুৎ বিল পৰিশোধ কৰিব পাৰে তাৰ বাবে এই ধন ২৫০ টকা বৃদ্ধি কৰা হৈছে। অসমৰ প্ৰত্যেক সমষ্টি ৬ হাজাৰকৈ পৰিয়ালে অৰুণোদয় আঁচনি লাভ কৰিব । এই মাহৰপৰা বিষয়া আৰু ছাত্ৰ-ছাত্ৰী সকলে অৰুণোদয় আঁচনিৰ হিতাধিকাৰীৰ ঘৰলৈ গৈ জৰীপ আৰম্ভ কৰিব । হিতাধিকাৰী পৰিয়ালসকলৰ বাবে 'অৰুণোদয় পৰিয়াল' নামৰ এটি লগো আগবঢ়োৱা হ'ব আৰু আঁচনিৰ অধীনৰ প্ৰতিটো পৰিয়ালৰ গৃহৰ সন্মুখত এই লগো অঁৰা থাকিব। যিসকলৰ আৰ্থিক অৱস্থা স্বচ্ছল বা আঁচনিৰ দ্বাৰা স্বচ্ছল হৈছে তেওঁলোকক আন সকল আৰ্থিক ভাৱে দুৰ্বলৰ বাবে অৰুণোদয়ৰ বাট মুকলি কৰাৰ বাবে তেওঁ আহ্বান জনায়।

হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ সকলক এইবেলি কম্পিউটাৰৰ পৰিৱৰ্তে ১৬ হাজাৰ টকাকৈ আগবঢ়োৱা হ'ব বুলি সভাত উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে দুৰ্গাপূজাৰ আগে-পাছে উচ্চতৰ মাধ্যমিকত প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰী সকলক স্কুটি প্ৰদান কৰাৰ লগতে লেটাৰ নম্বৰ সহ উচ্চতৰ মাধ্যমিকত উৰ্ত্তীণ ছাত্ৰসকলকো স্কুটি আগবঢ়োৱাৰ ব্যৱস্থা কৰা হ'ব ।

গোৰ্খা সকলৰ লগতে সকলো অনুসূচীত জাতি, জনজাতি আৰু পিছপৰা শ্ৰেণীৰ অন্তৰ্ভূক্ত সকল স্বাভাৱিক ভাৱেই খিলঞ্জীয়া বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে 'মিছন বসুন্ধৰা ১' জৰিয়তে অসমত মাটিৰ স্থায়ী পট্টা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে, ঠিক তাৰ লেখিয়াকৈ বিটিআৰত খিলঞ্জীয়াৰ ভূমি অধিকাৰ সাব্যস্ত কৰাৰ স্বাৰ্থত 'বিটিআৰ বসুন্ধৰা' আৰম্ভ কৰাৰ ব্যৱস্থা কৰা হ'ব। এই ক্ষেত্ৰত চক্ৰ বিষয়া সকলক প্ৰশিক্ষণ দি থকা হৈছে বুলি বিটিআৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে জানিব দিছে বুলি তেখেতে সভাত মন্তব্য কৰে।

কৃষকৰ পৰা ধান ক্ৰয়ৰ বাবে বৰ্তমান নিৰ্ধাৰিত ১৯৬০ টকা মূল্যৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা অক্টোবৰৰ পৰা ২০২০ টকালৈ বৃদ্ধি কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই এটা বছৰত ৰাজ্য চৰকাৰে ৫ লাখ মেট্ৰিকটন ধান ক্ৰয় কৰিবলৈ সক্ষম হৈছে। এই পৰিমাণ আৰু বৃদ্ধি পাব। অহা বছৰৰ পৰা কৃষকে ধান ক্ৰয়ৰ টকা মাত্ৰ তিনি দিনৰ ভিতৰতে ঘূৰাই পাব বুলি তেওঁ সভাত কয়।

বড়ো ভূমিত শিক্ষাৰ উৎকৰ্ষ সাধনৰ লক্ষ্যৰে উচ্চ শিক্ষাৰ এক নতুন দিগন্তৰ সূচনা কৰি অহা ছেপ্তেম্বৰ মাহত অসম বিধানসভাত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ এটা চৌহদ ওদালগুৰিত মুকলি কৰাৰ বাবে আইন গৃহীত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি উল্লেখ কৰি তেঁও কয় যে ইয়াৰ ফলত ওদালগুৰি জিলা উচ্চ শিক্ষাৰ ক্ষেত্ৰত আৰু এখোজ আগুৱাই যাবলৈ সক্ষম হ'ব ।

ৰাইজৰ দীৰ্ঘ দিনীয়া আকাংক্ষা বাস্তৱায়িত কৰি ৰৌতা আৰু ওদালগুৰি পথৰ দলং নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে ১৮ কোটি টকাৰ অনুমোদন জনাইছে। অহা আগষ্ট মাহৰ শেষৰফালে বা ছেপ্তেম্বৰ মাহৰ প্ৰথম ভাগত এই দলংখন নিৰ্মাণৰ কাম হাতত লোৱা হ'ব ।

শক্তি মন্ত্ৰী নন্দিতা গাৰ্লোচাই আদৰণী ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োই বক্তব্য প্ৰদান কৰে। আজিৰ এই অনুষ্ঠানত জলসিঞ্চন আৰু নগৰ উন্নয়ন আদি বিভাগৰ মন্ত্ৰী অশোক সিংহল, উপ-মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ চন্দ্ৰ বসুমতাৰী, বিধায়ক চৰন বড়ো, মজিবুৰ ৰহমান প্ৰমুখ্যে বিটিআৰৰ সন্মানীয় সদস্য তথা কাৰ্যবাহী সদস্যসকল, মঙলদৈৰ প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস, ভাৰতীয় জনতা পাৰ্টী ওদালগুৰি জিলাৰ সভাপতি সুনীল বসুমতাৰী ইউ পি পি এলৰ ওদালগুৰি জিলাৰ সভাপতি ৰবীন্দ্ৰ বসুমতাৰী, এপিডিচিএল আৰু এজিচিএলৰ শীৰ্ষ বিষয়া সকল উপস্থিত থাকে।

হেঃশঃ
১৯/০৭/২০২২